# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-08-2024
**Time :** 0705 Hrs

# *Assamese Morning Bulletin*
## *HEADLINES*

*- - - - - - - - - - - - - - - - - - - - - - -*

১। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে।

২। লোকসভাত কালি চলিত বিত্তীয় বৰ্ষৰ বাবে ৰেল মন্ত্ৰালয়ৰ দাবী মঞ্জুৰি সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়।

৩। কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৫০ অতিক্ৰম কৰিছে।

৪। প্ৰসিদ্ধ ভাৰতীয় ক্ৰিকেট খেলুৱৈ অংশুমান গাইকোৱাডৰ যোৱা নিশা দেহাৱসান ঘটে। ***আৰু***

৫। ভাৰতৰ স্বপ্নীল কুশালে আজি পেৰিছ অলিম্পিকৰ পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত পদক জয়ৰ প্ৰত্যাশাৰে অৱতীৰ্ণ হ'ব।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেট দেশৰ অগ্ৰাধিকাৰৰ বিষয়সমূহ যেনে - উন্নয়ন, কৰ্ম সংস্থাপন সৃষ্টি, কল্যাণ, মূলধনী ব্যয় আৰু বিত্তীয় একত্ৰীকৰণৰ মাজত ভাৰসাম্য ৰক্ষা কৰি যুগুত কৰা হৈছে। ৰাজ্যসভাত কালি বাজেট সম্পৰ্কীয় আলোচনাৰ উত্তৰত তেওঁ এই কথা উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস আৰু সবকা প্ৰয়াস'ৰ নীতিত বিশ্বাস ৰাখি আহিছে বুলি মন্তব্য কৰি তেওঁ কয় যে বাজেটখনে সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ নীতিত অটল আস্থা ৰখাকে প্ৰতিপন্ন কৰিছে। তেওঁ লগতে কৃষিখণ্ডত আবণ্টন হ্ৰাস পোৱা বুলি বিৰোধী দলে কৰা অভিযোগ খণ্ডন কৰে। তেওঁ কয় যে শিক্ষা, নিয়োগ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত ১ লাখ ৪৮ হাজাৰ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে। কৰ ৰাজহ চকুত লগা ধৰণে বৃদ্ধি পাইছে বুলি শ্ৰীমতী সীতাৰমনে উল্লেখ কৰে। তেওঁ কয় যে নতুন মিটাৰ স্থাপনৰ প্ৰয়াসৰ বাবে শক্তি খণ্ডৰ ৰছিদ প্ৰদান আৰু সংগ্ৰহ দক্ষতা বৃদ্ধি পাইছে আৰু ইয়াৰ ফলস্বৰূপে ২০২৩-২৪ বৰ্ষত অনা-কৰ ৰাজহ ২০২৩-২৪ বৰ্ষৰ ৫ হাজাৰ ১৪৮ কোটি টকাৰ পৰা চাৰে ৬ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। এই প্ৰক্ৰিয়াক তেওঁ  বৃহৎ সংস্কাৰ বুলি অভিহিত কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে অশোধিত পাম অইল, অশোধিত ছয়াবিন তেল আৰু অশোধিত সুৰুযমুখী তেলৰ ওপৰত আৰোপিত ২ দশমিক ৫ শতাংশ শুল্কৰ অৱসান ঘটোৱা হৈছে। তেওঁ কয় যে এই ব্যৱস্থাই কৰ্মসংস্থাপন সৃষ্টি আৰু খোৱা তেলৰ উপলব্ধতা সুনিশ্চিত কৰাৰ বাবে শোধনৰ অৰ্থে ভাৰতলৈ অশোধিত তেল ৰপ্তানিৰ অনুমতি প্ৰদান কৰে। ধন হস্তান্তৰ সন্দৰ্ভত শ্ৰীমতী সীতাৰমনে কয় যে বিত্তীয় আয়োগে সংবিধানৰ ২৭৯ অনুচ্ছেদ অনুযায়ী শুদ্ধ আয়ৰ শতাংশ হিচাপে কৰ হস্তান্তৰৰ পৰামৰ্শ আগবঢ়াইছে। তেওঁ কয় যে মুঠ প্ৰাপ্ত মুঠ কৰৰ পৰা উপকৰ, অতিৰিক্ত কৰ আৰু সংগ্ৰহ ব্যয় বাদ দি শুদ্ধ আয় নিৰ্দ্ধাৰণ কৰা হয়। মুঠ প্ৰাপ্ত কৰৰ ভিত্তিত হস্তান্তৰৰ

গণনা কৰা আৰু কেন্দ্ৰীয় চৰকাৰে বিত্ত আয়োগৰ দ্বাৰা দিয়া পৰামৰ্শতকৈ কম হাৰত কৰ হস্তান্তৰ কৰা বুলি দাবী কৰাটো ভুল বুলি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে মূলধনী ব্যয় ১১ লাখ ১১ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। এই পৰিমাণ ২০২৩-২৪ বৰ্ষৰ সংশোধিত পূৰ্বানুমান আৰু প্ৰাৰম্ভিক বাস্তৱিকতাতকৈ প্ৰায় ১৭ শতাংশ অধিক বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে কয় যে ইউ পি এৰ শাসনকালত ২০০৪-০৫ চনৰ পৰা ২০১৩-১৪ চনলৈ মূলধনী ব্যয়ৰ বাবদ ১৩ লাখ ১৯ হাজাৰ কোটি টকা আৱণ্টন কৰা হৈছিল। ইয়াৰ বিপৰীতে এন ডি এ চৰকাৰৰ শাসন কালত ২০১৪ৰ পৰা ২০২৪ চনলৈ মূলধনী ব্যয়ৰ নামত ৪৩ লাখ ৮২ হাজাৰ কোটি টকা আৱণ্টন কৰা হৈছে। ২০২১ বৰ্ষত বিত্তীয় ঘাটি ৯ দশমিক ২ শতাংশলৈ বৃদ্ধি পাইছিল বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে ২০২৫-২৬ বৰ্ষৰ ভিতৰত বিত্তীয় ঘাটি ৪ দশমিক ৫ শতাংশতকৈ কম কৰাৰ বাবে কাম কৰিব।

অগ্নিবীৰ আঁচনি সন্দৰ্ভত শ্ৰীমতী সীতাৰমনে কয় যে আঁচনিখনে সশস্ত্ৰ বাহিনীসমূহক যুদ্ধৰ বাবে সাজু কৰি ৰখাত সহায় কৰিব। তেওঁ লগতে আঁচনিখনক লৈ ৰাজনীতি কৰাৰ আৱশ্যকতা নাই বুলি উল্লেখ কৰে।

0000000

২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ অধীনৰ অনুদানৰ দাবী সন্দৰ্ভত কালি লোকসভাত পুনৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ সন্ধ্যা ৰায়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ৰে'ল খণ্ডত অভূতপূৰ্ব উন্নয়ন দেখা গৈছে আৰু ইয়াৰ কাম-কাজ তীব্ৰগতিত চলি আছে। ইপিনে আৰ এছ পিৰ এন কে প্ৰেমাচন্দ্ৰনে কয় যে সাধাৰণ জনতাৰ বাবে ৰে'লেই হৈছে পৰিবহণৰ প্ৰধান মাধ্যম আৰু সেয়েহে ইয়াত অধিক গুৰুত্ব দিয়া উচিত। তেওঁ লগতে সুকীয়া ৰে'ল বাজেটৰ দাবী উত্থাপন কৰে। আলোচনাত ভাগ লৈ বিজেপিৰ অনুৰাগ শৰ্মাই কেন্দ্ৰীয় বাজেটত ভাৰতীয় ৰে'লৰ বাবে চৰকাৰে ২ লাখ ৬২ হাজাৰ কোটি টকা আবণ্টন দিছে বুলি উল্লেখ কৰে। ২০৪৭ চনৰ ভিতৰত উন্নত ৰাষ্ট্ৰৰ সপোন বাস্তৱায়িত কৰাত ৰে'লৱেই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় বাজেটত অন্ধ্ৰ প্ৰদেশৰ ৰে'ল প্ৰকল্পৰ বাবে ৯ হাজাৰ ১৫০ কোটি টকা আবণ্টন দিয়াৰ বাবে জনসেনা পাৰ্টিৰ বালাচৌৰী বল্লভানেনীয়ে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। আলোচনাত অংশ লৈ শিৱসেনাৰ ধৈৰ্যশীল সম্ভাজিৰাও মানেই কেন্দ্ৰীয় বাজেটৰ শলাগ লয় আৰু কয় যে ভাৰতীয় ৰে'লৰ বাবে এইবাৰৰ বাজেটত সৰ্বাধিক ২ লাখ ৬২ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে। আলোচনাত শিৱসেনা ইউ বি টিৰ অৰবিন্দ সাৱন্ত, কংগ্ৰেছৰ সপ্তগিৰি শংকৰ উলাকে, বিজেপিৰ নিশিকান্ত ডুবেকে ধৰি আন সাংসদসকলেও অংশগ্ৰহণ কৰে। পাছত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি পুৱা ১১ বজা পৰ্যন্ত সদনৰ কাম-কাজ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

0000000

কেৰালাৰ ৱায়নাডত ভূমিস্খলনত মৃত্যু হোৱা লোকৰ সংখ্যাই ২৫০ অতিক্ৰম কৰিছে। সেনাবাহিনীয়ে প্ৰকাশ কৰা মতে কালি ভূমিস্খলন প্ৰভাৱিত এলেকাসমূহত আবদ্ধ ১৮৯জন লোক আৰু চাৰিটা শৱদেহ উদ্ধাৰ কৰা হয়। সেনাবাহিনীৰ দলে আজি পুৱা আট্টামালা, মুণ্ডাক্কি আৰু চুৰামালাত উদ্ধাৰ আৰু সাহায্য অভিযান পুনৰ আৰম্ভ কৰিছে। উদ্ধাৰ কাৰ্যত প্ৰশিক্ষণপ্ৰাপ্ত কুকুৰৰ দলৰো সহায় লোৱা হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৱায়নাডৰ ভূমিস্খলন প্ৰভাৱিত লোকসকলৰ উদ্ধাৰ, সাহায্য আৰু পুনৰবাসনৰ বাবে কেন্দ্ৰীয় চৰকাৰে সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াব আৰু চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি আশ্বাস দিছে। দেশৰ বিভিন্ন অংশত ভূমিস্খলন আৰু বানৰ বাবে ধন জন হানি হোৱা সন্দৰ্ভত কালি লোকসভাত এটা মনোযোগ আকৰ্ষণ প্ৰস্তাৱৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে শোকৰ এই মুহূৰ্তত কেন্দ্ৰীয় চৰকাৰ অথবা ৰাজনৈতিক দলসমূহে কেৰালা চৰকাৰ আৰু ৰাজ্যখনৰ জনসাধাৰণ বিশেষকৈ ৱায়নাডৰ লোকসকলৰ সৈতে দৃঢ়তাৰে থিয় দিয়া উচিত। কেন্দ্ৰীয় চৰকাৰ ৱায়নাডৰ জনসাধাৰণৰ প্ৰতি সকলো ধৰণৰ সহায় আগবঢ়াবলৈ বদ্ধপৰিকৰ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীশ্বাহে সদনক কয় যে ২০১৪ চনৰ পাছত দেশত বিশ্বৰ সবাতোকৈ আধুনিক সতৰ্কতা ব্যৱস্থা স্থাপন কৰা হৈছে। প্ৰাকৃতিক বিপৰ্যয়ৰ সাত দিন আগতেই আগতীয়া জাননী জাৰি কৰিব পৰা বিশ্বৰ পাঁচখন বচা বচা দেশৰ ভিতৰত ভাৰত অন্যতম বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে জনসাধাৰণৰ সুৰক্ষাৰ বাবে দুহেজাৰ ৩০০ কোটি টকা ব্যয়েৰে দেশত বিভিন্ন প্ৰকাৰৰ আগতীয়া সতৰ্কতা প্ৰণালী স্থাপন কৰা হৈছে। দুৰ্যোগ ব্যৱস্থাপনা আৰু জীৱন ৰক্ষা প্ৰক্ৰিয়াৰ ব্যাখ্যা আগবঢ়াই গৃহমন্ত্ৰীগৰাকীয়ে কয় যে ২০১৪ চনৰ পূৰ্বে বিপৰ্যয়ৰ সময়ত অকল উদ্ধাৰ আৰু পুনৰ্বাসে সঁহাৰিৰ একমাত্ৰ মাধ্যম আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰ ক্ষমতালৈ অহাৰ পাছত বিপৰ্যয়ৰ সময়ত যাতে কোনো লোকৰ প্ৰাণনাশ নহয় সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে উদ্ধাৰ কাৰ্যৰ উপৰি আগতীয়াকৈ প্ৰস্তুতিৰ ব্যৱস্থা কৰি অহা হৈছে।

কেৰালালৈ আগতীয়া সতৰ্কতা জাৰি সন্দৰ্ভত শ্ৰীশ্বাহে কয় যে ১৮ জুলাইত ৰাজ্যখনৰ পশ্চিম প্ৰান্তৰ উপকূল ভাগত স্বাভাৱিকতকৈ অধিক বৰষুণ হ'ব বুলি আৰু পাছত ২৩ আৰু ২৫ জুলাইত অঞ্চলটোত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিয়া হৈছিল। ২৩ জুলাইত অঞ্চলটোলৈ আগতীয়াকৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৮টা দল প্ৰেৰণ কৰা হৈছিল বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে উদ্ধাৰ আৰু সাহায্যৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজেই পৰিস্থিতি নিৰীক্ষণ কৰি আছে বুলি শ্ৰীশ্বাহে উল্লেখ কৰে। ইয়াৰ পূৰ্বে আলোচনাত অংশ লৈ কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয় যে কেন্দ্ৰীয় চৰকাৰে বান আৰু ভূমিস্খলনকে ধৰি অধিক বিপদাশংকাৰ বিপৰ্যয়ৰ ব্যৱস্থাপনাৰ বাবে ৩৩বাৰকৈ পৰামৰ্শ জাৰি কৰা হৈছে। ৰাজ্য চৰকাৰে এই পৰামৰ্শ অনুযায়ী প্ৰস্তুতি কৰিব পাৰে বুলি তেওঁ উল্লেখ কৰে। কংগ্ৰেছৰ কে চি বেনুগোপালে আলোচনাৰ পাতনি মেলি কয় যে কেন্দ্ৰীয় চৰকাৰে প্ৰাকৃতিক বিপৰ্যয়জনিত পৰিস্থিতিৰ ক্ষেত্ৰত ৰাজ্যসমূহক সহায় কৰা উচিত।

০০০০০০০

ভাৰতৰ প্ৰসিদ্ধ ক্ৰিকেট খেলুৱৈ তথা প্ৰশিক্ষক অংশুমান গায়কোৱাডৰ যোৱানিশা ৭১ বছৰ বয়সত দেহাৱসান ঘটে। খেলুৱৈগৰাকীয়ে ১৯৭৫ চনৰ পৰা ১৯৮৭ চনৰ সময়চোৱাত ভাৰতৰ হৈ ৪০ খন টেষ্ট আৰু ১৫ খন এদিনীয়া খেলত ভাগ লোৱাৰ উপৰি বৰোদাৰ হৈ ২০৬ খন প্ৰথম শ্ৰেণীৰ খেল খেলিছিল। বৰোদা ক্ৰিকেট

সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া স্নেহল পাৰিখে জনোৱা অনুসৰি তেজৰ কৰ্কট ৰোগত আক্ৰান্ত খেলুৱৈগৰাকীয়ে যোৱানিশা প্ৰায় ১০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত গায়কোৱাডে কিংবদন্তি খেলুৱৈ সুনীল গাভাস্কাৰৰ সৈতে টেষ্ট মেচত দীৰ্ঘদিন ধৰি দেশৰ হৈ বেটিং মুকলি কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ দলৰ নিৰ্বাচক হিচাপে কাম কৰে আৰু ১৯৯৭ চনৰ অক্টোবৰৰ পৰা ১৯৯৯ চনৰ ছেপ্টেম্বৰ পৰ্যন্ত ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁক ২০১৭-১৮ বৰ্ষৰ বাবে চি কে নায়ুডু জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হৈছিল। প্ৰয়াত গায়কোৱাডে কপিলদেৱ আৰু শান্তা ৰংগস্বামীৰ সৈতে ক্ৰিকেট পৰামৰ্শদাতা কমিটিৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ভাৰতৰ হৈ ১১খন টেষ্ট খেলা তেওঁৰ পিতৃ দত্ত গায়কোৱাডৰো বিগত ফেব্ৰুৱাৰীত বৰোদাত মৃত্যু হৈছিল।

০০০০০০০

ভাৰতৰ স্বপ্নীল কুশালে আজি পেৰিছ্ অলিম্পিকৰ পুৰুষৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত পদক জয়ৰ প্ৰত্যাশাৰে ভাৰতীয় সময় অনুসৰি দিনৰ ১ বজাত অৱতীৰ্ণ হ'ব। একেদৰে দুবাৰকৈ বিশ্ব চেম্পিয়নৰ খিতাপ অৰ্জন কৰা নিখাট জৰিনে মহিলাৰ বক্সিঙৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত এছিয়ান গেমছৰ চেম্পিয়ন ৱু য়ুৰ বিৰুদ্ধে খেলিব। খেলখন দিনৰ আঢ়ৈ বজাত অনুষ্ঠিত হ'ব। ছিফ্‌ট কৌৰ আৰু অঞ্জুম মুডগিলে মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানৰ যোগ্যতা নিৰূপণৰ ৰাউণ্ডৰ খেলেৰে বিয়লি চাৰে ৩ বজাত নিজৰ অভিযান আৰম্ভ কৰিব। ইপিনে, পি ভি সিন্ধু, লক্ষ্য সেন আৰু এইছ্ এছ্ প্ৰণয় বেডমিণ্টনৰ ছিংগলছত নক-আউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব। আনহাতে, সাত্বিকছাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ডাবলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰিব। ইতিমধ্যে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰা ভাৰতীয় হকী দলে দিনৰ ডেৰ বজাত পুল বিৰ এখন খেলত যোৱা বাৰৰ চেম্পিয়ন বেলজিয়ামৰ সন্মুখীন হ'ব। একেদৰে অৰ্শদীপ সিং, বিকাশ আৰু পৰমজিৎ সিঙে দিনৰ ১১ বজাত পুৰুষৰ ২০ কিলোমিটাৰ বেগাই খোজকঢ়া প্ৰতিযোগিতাৰে এথলেটিকছত ভাৰতৰ অভিযান আৰম্ভ কৰিব।

০০০০০০০

সমাপ্ত